# বৰগীত

## ৰাগ ঃ বসন্ত

**শ্ৰীশ্ৰীমাধৱদেৱ**

ধ্ৰুং।। হৰি হেৰৰে বাপ পশিলো শৰণে।
নেৰিবা বান্ধৱ মোক জীৱনে মৰণে।।

পদ।। সনক সনন্দ যোগী যাহাকু ধিয়ায়।
সকল নিগমে যাক বিচাৰি নপায়।।
সহস্ৰ বয়নে যাৰ নপাৱন্ত সীমা।
অধমে জানিবো কেনে তোমাৰ মহিমা।।
আতুৰ ভৈলোহো হৰি বিষয় বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।।
তোমাৰ চৰণ দুই মোৰ মহা ধন।
ভকত জনেৰ নিজ তুমিসে জীৱন।।
কৃপাৰ সাগৰ কৃপা কৰা এক বাৰ।
কাতৰ কৰিয়া লৈলো শৰণ তোমাৰ।।
কৃপা কৰা নাৰায়ণ ছোড় মোহ পাশ।
কহয় মাধৱ হৰি দাসকু দাস।।

**কবি-পৰিচয় ঃ**

**শ্ৰীশ্ৰীমাধৱদেৱ ঃ** নৱ বৈষ্ণৱ ধৰ্মৰ অন্যতম প্ৰচাৰক শ্ৰীশ্ৰীমাধৱদেৱৰ লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ লেটেকুপুখুৰীত ১৪৮৯ চনত জন্ম হয়। তেওঁৰ পিতৃ গোবিন্দগিৰী ভূঞা আৰু মাতৃ মনোৰমা। শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱে গুৰুৰ পদাংককে অনুসৰণ কৰি বাৰাদি, গণককুছি, সুন্দৰীদিয়া, ভেলাডাংগা আদিত ধৰ্ম প্ৰচাৰ কৰিছিল। ধৰ্ম প্ৰচাৰৰ লগতে সাহিত্য-সংস্কৃতিৰো পূজাৰী এইজনা মহান গুৰুৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হ'ল 'নামঘোষা'। এহেজাৰটা ঘোষা থকা বাবে এইখনক হেজাৰী ঘোষা বুলিও কোৱা হয়। তেওঁৰ আন আন ৰচনাসমূহ হ'ল—

আখ্যানমূলক ৰচনা—ৰাজসূয় কাব্য, আদিকাণ্ড ৰামায়ণ।

তত্ত্বমূলক ৰচনা—জন্মৰহস্য, ভক্তি-ৰত্নাৱলী, নামমালিকা।

নাট —অৰ্জুন-ভঞ্জন বা দধিমথন।

ঝুমুৰা— চোৰধৰা, পিম্পৰা-গুচোৱা, ভূমি-লেটোৱা, ভোজনবিহাৰ।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত বৈষ্ণৱ ধৰ্মক সাধাৰণ মানুহৰ অধিক কাষ চপাই নিয়াৰ অৰ্থে মাধৱদেৱে তেওঁৰ ৰচনাৰাজিত ঘৰুৱা ভাৱ-ভাষা ব্যৱহাৰ কৰি তাৰ জৰিয়তে জনসাধাৰণক বৈষ্ণৱ ধৰ্মৰ তত্ত্বসমূহ সহজে বুজি পোৱাত সহায় কৰিছিল। এই গীতটি মাধৱদেৱৰ দাস্য ভক্তিৰ উৎকৃষ্ট নিদৰ্শন।

মাধৱদেৱৰ সাহিত্যৰ সৌন্দৰ্য উপলব্ধি কৰাত পাঠটোৱে ছাত্ৰ-ছাত্ৰীক সহায় কৰিব বুলি আশা কৰা হৈছে।

**পাঠবোধ ঃ**

হৰিৰ মহিমা অপাৰ। যোগসিদ্ধ পুৰুষেও তেওঁক ধ্যান কৰে। নিগম শাস্ত্ৰই তেওঁক বিচাৰি নাপায় আৰু তেওঁৰ মহিমাৰ কথা কৈও শেষ কৰিব নোৱাৰি। এনেহেন পৰম মহিমাময় হৰিক উপলব্ধি কৰাটো সাধাৰণ মানুহৰ বাবে তেনেই অসম্ভৱ। বিষয় বিকলত আতুৰ হৈ কষ্ট পোৱা মানুহে তেওঁৰ চৰণকমলত আশ্ৰয় লৈ সেই কষ্টৰ পৰা মুক্তি পাব পাৰে। হৰিৰ চৰণযুগল হ'ল পৰম ধন আৰু ভকতৰ বাবে হৰিয়েই হ'ল জীৱন স্বৰূপ। হৰিৰ কৃপা লাভ কৰিব পাৰিলে মানুহে মোহ পাশৰ পৰা মুক্তিলাভ কৰিব পাৰে।

**শব্দাৰ্থ আৰু টোকা ঃ**

| | | |
|---|---|---|
| ছোড় | ঃ | ছিঙি দিয়া |
| ধিয়ায় | ঃ | ধ্যান কৰে |
| নিগম | ঃ | নিগম শাস্ত্ৰ |

| | | |
|---|---|---|
| বিষয় বিকলে | ঃ | সাংসাৰিক দুখ, বিষয়-বাসনাত কাতৰ |
| মোহ পাশ | ঃ | মায়াৰ বন্ধন |
| যাহাকু | ঃ | যিজনক |

**বৰগীত ঃ**

মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱ বিৰচিত এক নিৰ্দিষ্টসংখ্যক গীতক বৰগীত আখ্যা দিয়া হয়। উচ্চ মানবিশিষ্ট সাৱলীল ভাষাৰ স্তুতিমূলক তথা উপদেশপূৰ্ণ বৰগীতসমূহ শাস্ত্ৰীয় ৰাগযুক্ত আৰু আধ্যাত্মিক ভাৱ-গধুৰ। শংকৰদেৱে 'বাৰকুৰি গীত' ৰচিছিল যদিও বৰ্তমান 'একুৰি চৈধ্যটা' পোৱা গৈছে। মাধৱদেৱৰ ভণিতা থকা মুঠ ১৫৭-টা বৰগীত পোৱা যায়। ইয়াৰ উপৰি ভাৱ আৰু ভাষালৈ লক্ষ্য কৰি মাধৱদেৱে ৰচনা কৰা মুঠ বৰগীতৰ সংখ্যা ১৯১-টা বা ন-কুৰি এঘাৰটা বুলি পণ্ডিতসকলে অনুমান কৰিছে।

**বৰগীতৰ লক্ষণ ঃ**

১। বৰগীতসমূহ শাস্ত্ৰীয় ৰাগ-তালযুক্ত গীত।

২। বৰগীতৰ ভাষা ব্ৰজাৱলী।

৩। বৰগীতসমূহ ভক্তিমূলক তথা ঈশ্বৰৰ মাহাত্ম্য প্ৰকাশক।

৪। শংকৰ-মাধৱে লিখা গীতসমূহকহে বৰগীত বোলা হয়। নামধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে বৰগীতসমূহ ৰচিত।

৫। বৰগীতসমূহ মূলতঃ ভক্তিৰস প্ৰধান যদিও তাত দাস্য, শান্ত, বাৎসল্য আদি ৰসৰো সমাৱেশ ঘটিছে।

৬। মাধৱদেৱৰ বৰগীতসমূহ ঘাইকৈ শিশুকৃষ্ণৰ লীলা বিষয়ক। অসমীয়া সমাজৰ ঘৰুৱা পৰিৱেশৰ চিত্ৰ একোখনি ইয়াত চিত্ৰিত হৈছে।

**ব্ৰজাৱলী ভাষা ঃ**

ব্ৰজাৱলী ভাষা এক প্ৰকাৰ কৃত্ৰিম সাহিত্যিক ভাষা। শংকৰদেৱৰ সময়ত অসম, বঙ্গ আৰু উৰিষ্যাত এটা কৃত্ৰিম ভাষাৰ মাধ্যমত ভগৱান শ্ৰীকৃষ্ণৰ লীলা বিষয়ক গীত-পদৰ সৃষ্টি হৈছিল। এই সাহিত্যিক ভাষাক ব্ৰজবুলি, ব্ৰজবোল আৰু অসমীয়াত ব্ৰজাৱলী ভাষা বোলা হয়। পশ্চিমা হিন্দীৰ অপভ্ৰংশ ব্ৰজভাষাৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। ব্ৰজাৱলী ভাষাৰ মূল ভেটি মৈথিলী। তাৰ লগত ভোজপুৰী, নেৱাৰী, আৰু কামৰীয়া অঞ্চলৰ আন ভাষাৰ সংমিশ্ৰণেৰে ই ঠাই বিশেষে একোটা স্বতন্ত্ৰ ৰূপ লাভ কৰে। ব্ৰজাৱলী ভাষাটো এহাতে শক্তিশালী আৰু স্বৰধ্বনিৰ অধিক প্ৰয়োগৰ বাবে শ্ৰুতিমধুৰ।

**প্ৰশ্নাৱলী**

**ভাৱ-বিষয়ক ঃ**

১। চমুকৈ প্ৰশ্নৰ উত্তৰ দিয়া ঃ

(ক) "........নেৰিবা বান্ধৱ মোক জীৱনে মৰণে।"

—কবিয়ে জীৱনে মৰণে নেৰিবৰ বাবে কাক অনুৰোধ কৰিছে?

(খ) 'সনক সনন্দ যোগী যাহাকু ধিয়ায়।'
—সনক, সনন্দ আদি যোগীসকলে কাক ধ্যান কৰে বুলি কৈছে?

(গ) কবি কিহত আতুৰ হোৱা বুলি কৈছে?

(ঘ) বৰগীতটি কোনে ৰচনা কৰা?

(ঙ) বৰগীতটি কি ৰাগত বন্ধা আছে?

(চ) কবিয়ে 'বান্ধৱ' বুলি কাক সম্বোধন কৰিছে?

(ছ) 'মোহ-পাশ' মানে কি?

২। বৰগীতটিৰ মূলভাৱ লিখা।

৩। বৰগীতটিৰ ৰচকৰ চমু পৰিচয় দিয়া।

৪। ব্যাখ্যা কৰা ঃ

(ক) সহস্র বয়নে যাৰ নপাৱন্ত সীমা।
অধমে জানিবো কেনে তোমাৰ মহিমা।

(খ) আতুৰ ভৈলোহো হৰি বিষয় বিকলে।
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।

(গ) তোমাৰ চৰণ দুই মোৰ মহা ধন।
ভকত জনেৰ নিজ তুমিসে জীৱন।

৫। 'সনক সনন্দ যোগী যাহাকু ধিয়ায়
সকল নিগমে যাক বিচাৰি নপায়।'
—তাৎপর্য বিচাৰ কৰা।

৬। বৰগীতৰ চাৰিটা লক্ষণৰ বিষয়ে লিখা।

**ভাষা-বিষয়ক ঃ**

১। তলত দিয়া শব্দকেইটাৰ আধুনিক ৰূপ লিখা ঃ
নপাৱন্ত, কেনে, ভৈলোহো, তুমিসে, জনেৰ, কহয়।

২। ব্রজাৱলী ভাষাৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা।

•••